**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
০০০০০০০

১। স্বাস্থ্যকৰ্মীসকলৰ সুৰক্ষা, নিৰাপত্তা আৰু অনুকূল কৰ্মস্থানৰ পৰিৱেশ সুনিশ্চিত কৰাৰ বাবে উচ্চতম ন্যায়ালয়ে গঠন কৰা ৰাষ্ট্ৰীয় টাস্ক ফৰ্চৰ প্ৰথমখন বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কাইলৈ নতুন দিল্লীত আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন সমাৰোহত অংশগ্ৰহণ কৰিব।

৩। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হত্যা, ধৰ্ষণ আদিক সামাজিক অপৰাধ বুলি অভিহিত কৰিছে।

৪। ভাৰতৰ আগশাৰীৰ টেনিছ খেলুৱৈ সুমিত নাগলে টেইল'ন গ্ৰীকস্পুৰৰ হাতত পৰাজিত হৈ ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডৰ পৰা বাহিৰ হৈছে।

*আৰু*

৫। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে ইউ এ ইত হ'বলগীয়া মহিলাৰ টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫ জনীয়া দল ঘোষণা কৰিছে।

০০০০০০০

স্বাস্থ্যকৰ্মীসকলৰ সুৰক্ষা, নিৰাপত্তা আৰু অনুকূল কৰ্মস্থানৰ পৰিৱেশ সুনিশ্চিত কৰাৰ বাবে উচ্চতম ন্যায়ালয়ে গঠন কৰা ৰাষ্ট্ৰীয় টাস্ক ফৰ্চৰ প্ৰথমখন বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব। ভাৰত চৰকাৰৰ কেবিনেট সচিবৰ অধ্যক্ষতাত এই বৈঠক অনুষ্ঠিত হ'ব। এই টাস্ক ফৰ্চত কেন্দ্ৰীয় গৃহ সচিব, ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ অধ্যক্ষ ভাইচ এডমিৰেল ডা০ আৰ চাৰিন, এইমছৰ সঞ্চালক ডা০ এ শ্ৰীনিৱাস আৰু স্নায়ু ৰোগ বিভাগৰ প্ৰাক্তন অধ্যাপক ডা০ পদ্মা শ্ৰীবাস্তৱক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত সংঘটিত এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাকাণ্ডৰ গোচৰৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে চিকিৎসা বৃত্তিৰ সৈতে জড়িত লোকসকলৰ সুৰক্ষাৰ

বাবে এই টাস্ক ফৰ্চ গঠন কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ে অহা তিনি সপ্তাহৰ ভিতৰত টাস্ক ফৰ্চক অন্তৰৰ্তীকালীন প্ৰতিবেদন আৰু দুমাহৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিছে।

0000000

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কাইলৈ নতুন দিল্লীত আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন সমাৰোহত অংশগ্ৰহণ কৰিব। এই উপলক্ষে গৃহ মন্ত্ৰীগৰাকীয়ে নতুন ফৌজদাৰী আইন- জনসাধাৰণকেন্দ্ৰিক সংস্কাৰ সন্দৰ্ভত ড০ আনন্দ স্বৰূপ গুপ্তা স্মাৰক বক্তৃতা প্ৰদান কৰিব। তেওঁ লগতে ২০২৩ আৰু ২০২৪ বৰ্ষৰ বাবে ৰাষ্ট্ৰপতিৰ বিশিষ্ট সেৱা আৰু উত্তম সেৱা পদক প্ৰাপকসকলক সন্মান জনাব। অনুষ্ঠানত গৃহ মন্ত্ৰীগৰাকীয়ে নতুন ফৌজদাৰী আইন সন্দৰ্ভত আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ৰ ভাৰতীয় আৰক্ষী পত্ৰিকাৰ বিশেষ সংস্কৰণো উন্মোচন কৰিব। আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ই গৱেষণা আৰু উন্নয়নৰ মাধ্যমেৰে আইন-শৃংখলা ব্যৱস্থাৰ উৎকৰ্ষ সাধনৰ বাবে মূল পৰামৰ্শ গোট হিচাপে কাম কৰে। আৰক্ষীৰ বাবে নীতি আৰু প্ৰক্ৰিয়া বিকশাই তোলাই এই প্ৰতিষ্ঠানৰ মূল লক্ষ্য। ইয়াৰ উপৰি প্ৰতিষ্ঠানটোৱে নাগৰিকসকললৈ উন্নত সেৱা আগবঢ়োৱাৰ বাবে সহায়ক প্ৰযুক্তিৰ অন্বেষণ, আইন নিয়ন্ত্ৰণ ব্যৱস্থাৰ সংস্কাৰ আৰু বিধি বলবৎকাৰী সংস্থাসমূহৰ সামৰ্থ্য বৃদ্ধিৰ উপায় সন্দৰ্ভত বিশেষ গুৰুত্ব প্ৰদান কৰে।

0000000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হত্যা, ধৰ্ষণ আদিক সামাজিক অপৰাধ বুলি অভিহিত কৰিছে। অসম বিধান সভাৰ শৰৎকালীন অধিৱেশনৰ আজি দ্বিতীয় দিনা নাৰী নিৰ্য্যাতন, আলফাৰ দ্বাৰা বোমা স্থাপন আৰু ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি ব্যৰ্থ হোৱা বুলি অভিযোগ তুলি বিৰোধী পক্ষৰ কেইবাগৰাকীও বিধায়কে উত্থাপন কৰা সভা স্থগিত প্ৰস্তাৱত হস্তক্ষেপ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। ড০ শৰ্মাই কাইলৈ ৰাজ্যৰ জনগাঁথনি পৰিৱৰ্তনৰ তথ্য দিব বুলিও ঘোষণা কৰে। ইপিনে, খাদ্য, ৰাজহুৱা বিতৰণ আৰু বিতৰণ পৰিক্ৰমা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে ৰাজ্যখনত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত ২ কোটি ৩১ লাখ ৯৭ হাজাৰৰো অধিক হিতাধিকাৰীক সামৰি ৬৬ লাখ ৮৬ হাজাৰৰো অধিক ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে বুলি প্ৰকাশ কৰে। বিধানসভাৰ প্ৰশ্নোত্তৰ কালত সোধা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে যদিহে কোনো যোগ্য লোক বা পৰিয়াল ৰেচন কাৰ্ড লাভৰ পৰা বঞ্চিত হৈ আছে, তেন্তে এই ব্যক্তিসকলক বাছনি কৰি পৰ্য্যায়ক্ৰমে ৰেচন কাৰ্ড প্ৰদান বা কাৰ্ডত নাম অন্তৰ্ভুক্ত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে।

0000000

ভাৰতৰ আগশাৰীৰ টেনিছ খেলুৱৈ সুমিত নাগলে টেইল'ন গ্ৰীকস্পুৰৰ হাতত পৰাজিত হৈ ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডৰ পৰা বাহিৰ হৈছে। নাগল প্ৰথম দুটা ছেটত ভাল প্ৰদৰ্শন কৰাত ব্যৰ্থ হয় যদিও তৃতীয় ছেটত গ্ৰীকস্পুৰক তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। নাগল নেডাৰলেণ্ডছৰ খেলুৱৈগৰাকীৰ হাতত ১-৬, ৩-৬, ৬-৭ ছেটত পৰাস্ত হয়।

0000000

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে  সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ ইউ এ ইত হ'বলগীয়া মহিলাৰ টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫ জনীয়া দল ঘোষণা কৰিছে। সেই অনুসৰি, হৰমনপ্ৰীত কৌৰে ভাৰতীয় দলৰ নেতৃত্ব দিব আৰু স্মৃতি মান্ধানা উপ-অধিনায়ক হ'ব। দলত অসম কন্যা উমা ছেত্ৰীক ৰিজাৰ্ভ খেলুৱৈ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

ডেম'ক্ৰেটিক দলৰ প্ৰাক্তন সদস্য তুলসী গাবাৰ্ডে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আসন্ন ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত ৰিপাব্লিকান দলৰ প্ৰাৰ্থী ড'নাল্ড ট্ৰাম্পলৈ সমৰ্থন আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। ইৰাকত সামৰিক সেৱা আগবঢ়োৱা গাবাৰ্ডে ২০২০ চনত ডেম'ক্ৰেটিক দলৰ ৰাষ্ট্ৰপতিৰ প্ৰাৰ্থিত্বৰ দৌৰত অৱতীৰ্ণ হৈছিল আৰু দুবছৰ পাছত দল ত্যাগ কৰিছিল। গাবাৰ্ডে কালি ট্ৰাম্পৰ সৈতে মিছিগণৰ ডেট্ৰইডত নেচনেল গাৰ্ড এছ'ছিয়েচন সন্মিলনত অংশগ্ৰহণ কৰে। সন্মিলনত তেওঁ শ্ৰীট্ৰাম্পক ভূয়সী প্ৰশংসা কৰে।

০০০০০০০

দেওবাৰে নিশা ঢাকাৰ কেন্দ্ৰীয় সচিবালয়ৰ সন্মুখতআনচাৰ জোৱান আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত হোৱা সংঘৰ্ষৰ পাছত বাংলাদেশৰ ঢাকা আদালতে সোমবাৰে ৩৭৮ জন আনচাৰ জোৱান আৰু ছাত্ৰ-ছাত্ৰীক জে'ললৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে জনোৱা মতে, নাম উল্লেখিত ৪৩৭ আৰু নাম উল্লেখ নথকা ১১ হাজাৰ ১০০ জনক চাৰিটা গোচৰত অভিযুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে দেওবাৰে নিশা ছাত্ৰ-ছাত্ৰী আৰু প্ৰতিবাদকাৰীৰ মাজত হোৱা সংঘৰ্ষৰ ফলত ৪০ জন আহত হোৱাৰ উপৰিও সোমবাৰে জাৰি কৰা আন্তঃসেৱা জনসংযোগ কাৰ্য্যালয়ৰ প্ৰেছ বিজ্ঞপ্তি অনুসৰি, কমেও ৬ জন সেনা আহত হয়। ইয়াৰে এজন সংকটজনক অৱস্থাত আছে।

সচিবালয়ত বৈষম্য বিৰোধী ছাত্ৰ আন্দোলনৰ গুৰুত্বপূৰ্ণ ব্যক্তিক ঘেৰাও কৰা বুলি বাতৰি প্ৰকাশ হোৱাত নিশা ৯ বজাৰ পাছত এই সংঘৰ্ষ আৰম্ভ হয়। ইয়াৰ পাছতে ঢাকা বিশ্ববিদ্যালয়ে ছাত্ৰ-ছাত্ৰীসকল একগোট হৈ ঘেৰাও কৰা ছাত্ৰজনৰ মুক্তিৰ দাবীত সচিবালয়লৈ প্ৰতিবাদমুখী যাত্ৰা আৰম্ভ কৰে।

ইয়াৰ পূৰ্বে দেওবাৰে বিয়লি অৰ্ধ-সামৰিক সহায়ক বাহিনী, বাংলাদেশ আনচাৰৰ জোৱানে নিজ চাকৰি ৰাষ্ট্ৰীয়কৰণৰ দাবীত অনিৰ্দিষ্ট কালৰ বাবে সচিবালয়ৰ কমপ্লেক্সত কোনো ধৰণৰ প্ৰৱেশ বা প্ৰস্থানত বাধা আৰোপ কৰিছিল।

ছাত্ৰ-ছাত্ৰী আৰু আনচাৰ পুৰুষৰ মাজত সংঘাতৰ সৃষ্টি হোৱাৰ লগে লগে পৰিস্থিতি তীব্ৰতৰ হয়। ইউনাইটেড নিউজ অৱ বাংলাদেশ ইউ এন বিৰ বাতৰি অনুসৰি, ঘটনাস্থলীত আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলাইছিল

০০০০০০০

পাকিস্তানৰ বেলুচিস্তান প্ৰদেশত সংঘটিত হিংসাত্মক ঘটনাত ৭০ জনৰো অধিক লোকে প্ৰাণ হেৰুৱাইছে। প্ৰাপ্ত বাতৰি মতে, লাচবেলা জিলাৰ বেলাৰ এটা ঘাইপথত বাহনক লক্ষ্য কৰি চলোৱা এই আক্ৰমণত ১৪ গৰাকী সৈনিক আৰু আৰক্ষী কৰ্মীৰ লগতে ২১ জন সন্ত্ৰাসবাদী নিহত হৈছে। ইপিনে, অন্য এটা ঘটনাক্ৰমত মুছাখেল জিলাত সশস্ত্ৰ লোকৰ এটা দলে আন্তঃপ্ৰাদেশিক ঘাইপথ অৱৰোধ কৰি ২৩ জন লোকক হত্যা কৰিছে। আক্ৰমণকাৰীসকলে যাত্ৰীসকলক ট্ৰাক আৰু বাছৰ পৰা নমাই আনি তেওঁলোকৰ পৰিচয় পৰীক্ষা কৰে

আৰু তেওঁলোকক লক্ষ্য কৰি গুলীবৰ্ষণ কৰে। নিহতসকল  পাকিস্তানৰ পাঞ্জাৱ প্ৰদেশৰ বাসিন্দা বুলি চিনাক্ত কৰা হৈছে।

ইফালে, কলাতৰ এখন আৰক্ষী থানা আৰু ঘাইপথত সংঘটিত আক্ৰমণত ৫ জন আৰক্ষী কৰ্মীসহ ১০ জন লোক নিহত হৈছে। বোলানা চহৰৰ এখন ৰে'ল দলঙত কালি সংঘটিত বিস্ফোৰণৰ পাছত কুৱেটা সংযোগী ৰে'ল সেৱা বাতিল কৰা হৈছে। আৰক্ষীয়ে ৰে'ল দলঙত সংঘটিত আক্ৰমণৰ ঠাইৰ পৰা অজ্ঞাত লোকৰ ৫-৬ টা মৃতদেহ উদ্ধাৰ কৰিছে। বেলুচিস্তান প্ৰদেশ বছৰ বছৰ ধৰি অশান্ত পৰিস্থিতিৰ সন্মুখীন হৈ আহিছে। অঞ্চলটোত বিগত কেইটামান সপ্তাহ ধৰি ব্যাপক প্ৰতিবাদ অব্যাহত আছে।

০০০০০০০

বিজেপিয়ে অহা ২ আগষ্টত সদস্য ভৰ্তি অভিযান আৰম্ভ কৰিব। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দলৰ সাধাৰণ সম্পাদক বিনোদ তাৱড়ে কয় যে, বৰ্তমানৰ সকলো সদস্যই নতুনকৈ নাম অন্তৰ্ভুক্ত কৰিব লাগিব। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২ আগষ্টত দলৰ সভাপতি জে পি নাড্ডাৰ পৰা সদস্য পদ লাভ কৰিব আৰু ইয়াৰ লগে লগে সমগ্ৰ দেশত সদস্যভৰ্তি অভিযান আৰম্ভ হ'ব। শ্ৰীতাৱড়ে কয় যে, বিজেপিৰ সংবিধান অনুসৰি, প্ৰতি ৫-৬ বছৰৰ মূৰে মূৰে সদস্য ভৰ্তি অভিযান অনুষ্ঠিত কৰা হয়। ২৫ ছেপ্তেম্বৰত সদস্য ভৰ্তি অভিযানৰ প্ৰথম পৰ্য্যায়ৰ সামৰণি পৰিব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০০

সমাপ্ত